জনসংযোগ, অসম
মুখ্যমন্ত্রীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৬০/২০২০

# বিশিষ্ট সাংবাদিক, সাহিত্যিক অমল কুমাৰ হৰ’ৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ১ অক্টোবৰ ঃ** বিশিষ্ট সাংবাদিক, সাহিত্যিক অমল কুমাৰ হৰ’ৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰয়াত অমল কুমাৰ হৰ’ই সংবাদ জগতলৈ যি সেৱা আগবঢ়াই গ’ল সেয়া জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। প্ৰয়াত অমল কুমাৰ হৰ’ই দুলীয়াজানৰ সন্মিলিত সাংবাদিক মঞ্চৰ সভাপতি হিচাপেও সাংবাদিকসকলৰ বিভিন্ন অভাৱ-অভিযোগ নিৰাময়ৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা লৈ গৈছে। তদুপৰি, এগৰাকী ঔপন্যাসিক আৰু গল্পকাৰ হিচাপেও তেখেত আমাৰ সাহিত্য জগতলৈ বৰঙণি আগবঢ়াই গৈছে। আদিবাসী ছাত্ৰ সন্থাৰ ডিব্ৰুগড় জিলাৰ উপদেষ্টা হিচাপেও তেখেতে সংগঠনটোৰ সাংগঠনিক দিশ শক্তিশালী কৰাৰ দিশত বৰঙনি আগবঢ়াই গৈছে। এইগৰাকী জ্যেষ্ঠ সাংবাদিকৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত অমল কুমাৰ হৰ’ৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**বঃভাঃ / পুঃডেঃ**
**১/১০/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in